ফুৰি আছে। পল্লৱীয়ে ভাবিলে তাইৰ ঘৰৰ ওচৰত থকা বিধায়িকাগৰাকীয়েও নিশ্চয় মেথোনটো কাটি তাৰ মাংস দুখীয়া ৰাইজক বিলাবৰ বাবে নিজৰ ঘৰত বান্ধি থৈছে। অৰুণাচলৰ মানুহে মাংস নহ'লে মুখত ভাত দিব নোৱাৰে। কিন্তু আজিকালি বজাৰ বন্ধ, চিকাৰ কৰা বন্ধ। গতিকে এনে সময়ত এটুকুৰা মাংস খাবলৈ পালে মানুহবোৰে নিশ্চয় ভাল পাব। পল্লৱীয়ে যিটো সন্দেহ কৰিছিল সেয়ে হ'ল। এদিন ৰাতিপুৱাই হৈ চৈ কৰা শুনি তাই বাৰাণ্ডালৈ ওলাই আহি দেখিলে বিধায়িকাগৰাকীৰ ঘৰৰ সন্মুখত এজাক মানুহ। তেওঁলোকে কোন টলকত মেথোনটো মাৰি মাটিত বগৰাই দিলে তাই ক'বই নোৱাৰিলে। এতিয়া তাৰ মাংসখিনি কাটি টুকুৰা-টুকুৰি কৰাত মানুহবোৰ ব্যস্ত হৈ পৰিছে। আগতে তেনেকুৱা দৃশ্য দেখিলে পল্লৱীৰ ওকালি আহিবৰ উপক্ৰম হৈছিল। আজিকালি অৱশ্যে তেনে নহয়। ইটানগৰত পল্লৱীহঁতৰ ঘৰৰ কাষতে মাংসৰ বজাৰ। তাত কুকুৰা, ছাগলী আৰু মেথোন মাংস বিক্ৰী কৰা হয়। বজাৰত ওলমাই থোৱা মেথোনৰ ডাঙৰ ডাঙৰ মঙহাল ঠেং আৰু অংগ-প্ৰত্যংগবিলাক দেখি দেখি পল্লৱীৰ এনে দৃশ্য দেখিলে একো নলগা হ'ল। এটা সময়ত তেওঁলোকে মাংস টুকুৰা টুকুৰাকৈ কাটি একোডোখৰ মাংস বাঁহৰ টঙালত সী লৈ সেইবোৰ এখন ভেনত ভৰাই তাৰ পৰা ওলাই গ'ল। সেই বলেৰো পিকআপ ভেনৰ আগে আগে গ'ল বিধায়িকাৰ বিলাসী গাড়ী ফৰচুনাৰ। পল্লৱীয়ে গম পালে বিধায়িকাগৰাকীয়ে সেই মাংসবোৰ নিশ্চয় দুখীয়া লোকক বিলাবলৈ গৈছে। সেইদিনা গধূলি তাই অৰুণাচল ভয়ছ নামৰ ফে'ছবুকত থকা গ্ৰুপ খুলি চাই দেখিলে তাই যি কথা ভাবি আছিল সেয়াই হৈছে। অৰুণাচল ভয়ছত দিনত বিধায়িকাগৰাকীয়ে দেখুউৱা বদান্যতাৰ ভিডিঅ' আপল'ড কৰা হৈছে। তাত দেখুউৱা হৈছে এজাক মতা-তিৰোতাৰ সন্মুখত বিধায়িকাগৰাকীয়ে ভাষণ দি আছে—'আমাৰ অৰুণাচলৰ মানুহবিলাকে মাংস নহ'লে ভাত খাব নোৱাৰে। আমি সৰুৰে পৰা মাংস খাই ডাঙৰ-দীঘল হোৱা মানুহ। কিন্তু কৰ'না মহামাৰী হোৱাত লকডাউন হোৱা বাবে আমাৰ মানুহবোৰে মাংস খাবলৈ পোৱা নাই। গতিকে আজি মই আপোনালোকক দিম বুলি অলপ অলপ মাংস আৰু ৰেছন লৈ আহিছোঁ।"

পল্লৱীয়ে দেখিলে তাত জমা হোৱা মানুহখিনিৰ ভিতৰত তাইৰ লগত একেলগে স্কুলত পিয়ন কাম কৰা য়াদাৰ নামৰ ছোৱালীজনীও আছে। কালি মাথোন তাইৰ লগত পল্লৱীৰ কথা হৈছিল। তাই পল্লৱীক কৈছিল—"মেডাম, ঘৰত চাউল-গেছ সব আছে। আপুনি চিন্তা কৰিব নালাগে। মাংস মাত্ৰ নাই। লকডাউন হোৱাৰ পৰা মাংস খাবলৈ পোৱা নাই। জানে মেডাম, মাজে মাজে মাংস নাখালে ভাল নালাগে। খুব মাংস খাবলৈ মন গৈছে।"

পল্লৱীৰ ভাল লাগিল। আজি য়াদাৰেও মাংসৰ ভাগ এটা সেই উদাৰমনা বিধায়িকাৰ পৰা পালে। পল্লৱীয়ে তাইৰ ম'বাইলত য়াদাৰৰ নাম বিচাৰি ৰিং কৰিলে। সিফালৰ পৰা য়াদাৰৰ মাত ভাহি আহিল—"মেডাম।"

"য়াদাৰ, তোমাক আজি ফে'ছবুকত দেখা পালোঁ।"

"হয় নেকি মেডাম?"

"তোমাৰ মাংস খাবলৈ খুব মন গৈছে বুলি কৈছিলা নহয়? আজি মাংস খাবলৈ পালা নিশ্চয়?"

"ক'ত পাম মেডাম? আমাক ক'ত মাংস দিব?"

"কিয়? এম এল এ মেডামে মাংস দিওঁতে তুমিও আছিলা দেখোন?"

"হয়। এম এল এ মেডামে আমাৰ কলনিত আহি মাংস বিলাই গ'ল। কিন্তু আমাক নিদিলে।"

"কিয়?"

"আমি তেওঁৰ সমষ্টিৰ মানুহ নহয়, সেই কাৰণে। মেডামে তেওঁৰ ভোটাৰবিলাকৰ মাজতহে মাংস বিলাই গ'ল।"

"অ' হয় নেকি? তেনেহ'লে তোমাক একো নিদিলে নেকি?"

"দিছে। মুখ বন্ধ ৰাখিবৰ কাৰণে ফ্ৰিত মাস্ক দি গৈছে।

ঠিকনা ঃ শিক্ষয়িত্ৰী, গ্ৰিন মাউণ্ট স্কুল, এফ ছেক্টৰ, ইটানগৰ-৭৯১১১১, ফোন ঃ ৭০০৫৫৬৩৬৭১


## বছৰেকীয়া গ্ৰাহকসকলৰ প্ৰতি এটি ঘোষণা

প্ৰান্তিকৰ নতুন বছৰেকীয়া গ্ৰাহক হ'বলৈ বা গ্ৰাহক নবীকৰণৰ বাবে এতিয়াৰপৰা online যোগেও পইচা পঠিয়াব পাৰিব। ইয়াৰ বাবে প্ৰান্তিকৰ HDFC বেংকৰ চানমাৰি শাখাৰ একাউণ্ট নম্বৰ 50200049269502, IFSC–HDFC0000631 ব্যৱহাৰ কৰি পইচা জমা দিব পাৰিব। পইচা জমা দিয়াৰ লগে লগে আমাক নবীকৰণৰ বাবে **গ্ৰাহক নম্বৰ** আৰু নতুন গ্ৰাহকৰ ক্ষেত্ৰত পিনক'ডসহ সম্পূৰ্ণ ঠিকনা আমাক e-mail (prantikasomiya@gmail.com) যোগে জনাব লাগিব। স্থানীয়ভাৱে প্ৰান্তিকৰ কাৰ্যালয়তো নগদ ধন বা চেকযোগে বৰঙণি দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত **৬৫০** টকা, দুবছৰত **১২০০** টকা, আৰু তিনি বছৰত **১৭৫০** টকা।

**বিদেশৰ বাবে ঃ**

**কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক